# অধ্যায় ১১ ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অঙ্কৰ পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অঙ্কৰ পাঠ্যাংশৰ সংস্কৃত পাঠ
১১.৪ চতুৰ্থ অঙ্কৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দেউতাক কণ্বই শকুন্তলাক পতিগৃহলৈ পঠিওৱাৰ দৃশ্য দেখিব
- ৪ৰ্থ অঙ্কৰ আদিত থকা বিষ্কম্ভকৰ পৰা জানিব পাৰিব যে যজ্ঞৰ অন্তত ৰজা হস্তিনাপুৰলৈ উভতি গৈছে আৰু শকুন্তলা ৰজাৰ চিন্তাত মগ্ন হৈছে
- তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি ঋষি কণ্বই শকুন্তলাক পতি গৃহলৈ পঠোৱাৰ আয়োজন কৰা সম্পৰ্কে জানিব পাৰিব
- গৌতম, শাৰদ্বত আৰু শাৰ্ঙ্গৰৱৰ সৈতে শকুন্তলা পতি গৃহলৈ যাত্ৰা কৰাৰ বিষয়ে জানিব পাৰিব।

## ১১.২ পৰিচয়

সমগ্ৰ অভিজ্ঞানশকুন্তলম্ নাটকখনতে চতুৰ্থ অঙ্কটোৰ এটি সুকীয়া স্থান আছে। এই অঙ্কত আশ্ৰমত থকা পাত্ৰ আৰু পাত্ৰীৰ সমাগম হৈছে। ইয়াত দুৰ্বাসাৰ অভিশাপ উচ্চাৰণ হ'লেও ভৰতৰ নাট্যৰীতি মতে এয়া নাটকত দৃশ্য নহ'ল। প্ৰিয় শিষ্য এজনে পুৱা উঠি বেলা কিমান হ'ল তাকে চালে। সকলো নিজ নিজ কাৰ্য্যত ব্যাপৃত, ব্যস্ত। শকুন্তলাৰ বিদায় দৃশ্য এই অঙ্কৰ মূল বিষয়। প্ৰকৃতি গছ-বনস্পতি, চৰাই চিৰিকটি, মৃগ পোটক সকলোৱে শকুন্তলাক বিদায় পৰত মাত লগাইছে। নাটকত এই অঙ্কটিয়ে এক অনন্য মাত্ৰা দান কৰিছে সেই কাৰণে এই দৃশ্যটোৰ অধ্যয়ন ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়।এই অধ্যায়ত আপুনি অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অঙ্কৰ সংস্কৃত পাঠ্যাংশ আৰু তাৰ অসমীয়া অনুবাদো পঢ়িবলৈ পাব।

## ১১.৩ শকুন্তলম্ নাটকৰ চতুৰ্থ অঙ্কৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

(ততঃ প্ৰৱিশতি যথোক্তব্যাপাৰা আসনস্থা শকুন্তলা।)

**শকুন্তলা** ভগৱত্যঃ ! ৱন্দে।

**একা** (শকুন্তলাং প্ৰতি) জাতে। ভৰ্ত্তুঃ বহুমানসূচকং দেৱীশব্দং লভস্ব।

**দ্বিতীয়া** বৎসে ! ৱীৰপ্ৰসৱিনী ভৱ।

**তৃতীয়া** বৎসে ! ভৰ্ত্তৃৰ্বহুমতা ভৱ।

(আশিষো দত্ত্বা গৌতমীৱৰ্জং নিষ্ক্ৰান্তাঃ)

**সখৌ** (উপসৃত্য) সখি ! সুখসজ্জনং তে ভৱতু।

**শকুন্তলা** স্বাগতং মে প্ৰিয়সখ্যোঃ। ইতো নিষীদতম্।

**উভে** (মঙ্গলপাত্ৰান্যাদায় উপৱিশ্য) হলা ! সজ্জা ভৱ। যাৱন্মঙ্গলসমালংভনং ৱিৰচয়ৱে।

**শকুন্তলা** উচিতমপি ইদমদ্য বহু মন্তব্যম্। দুৰ্লভমিদানীং মে সখীমণ্ডনং ভৱিষ্যতীতি। (বাষ্পং বিসৃজতি)

**উভে** সখি ! ন যুক্তং মঙ্গলকালে ৰোদিতুম্ ! (অশ্ৰূণি প্ৰমৃজ্য নাট্যেন প্ৰসাধয়তঃ)।

**প্ৰিয়ম্বদা** আভৰণোচিতং ৰূপমাশ্ৰমসুলভৈঃ প্ৰসাধনৈ-ৰ্বিপ্ৰকাৰ্যতেঃ

(প্ৰৱিশ্যোপায়নহস্তৌ ঋষিকুমাৰকৌ)

**একা** ইদমলংকৰণম্। অলংক্ৰিয়তামত্ৰভৱতী।

**গৌতমী** বৎস নাৰদ ! কুত এতৎ?

**প্ৰথম** তাতকাশ্যপ প্ৰভাৱাৎ

**গৌতমী** কিং মানসী সিদ্ধিঃ?

**দ্বিতীয়** ন খলু। শ্ৰূয়তাম্। তত্ৰ ভৱতা বয়মাজ্ঞপ্তাঃ-শকুন্তলাহেতোৰ্বনস্পতিভ্যঃ কুসুমান্যাহৰত ইতি। তত্ৰ ইদানীম্—

ক্ষৌমং কেনচিদিন্দুপাণ্ডু তৰুণা মঙ্গোল্যমাৱিষ্কৃতং
নিষ্ঠ্যুতশ্চৰণোপভোগসুলভো লাক্ষাৰসঃ কেনচিৎ।
অন্যেভ্যো ৱনদেৱতাকৰতলৈৰাপৰ্বভাগোৎথিতৈ—
ৰ্দত্তান্যাভৰণানি তৎকিসলয়োদ্‌ভেদ-প্ৰতিদ্বন্দ্বিভিঃ।। ৫।।

**প্ৰিয়ম্বদা** (শকুন্তলাং ৱিলোক্য) হলা ! অনয়া অভ্যুপপত্ত্যা সূচিতা, তে ভৰ্ত্তুৰ্গেহে অনুভৱিতব্যা ৰাজলক্ষ্মীৰীতি।

(শকুন্তলা ব্ৰীডাং ৰূপয়তি)

**প্ৰথম** গৌতম ! এহ্যেহি; অভিষেকোত্তীৰ্ণায় ভগৱতে কাশ্যপায় নিৱেদয়াৱ যাৱদিমাং ৱনস্পতিসেৱাম্।

**দ্বিতীয়** তথা। (নিষ্ক্ৰান্তৌ)

**সখৌ** অয়ে ! অনুপযুক্তভূষণোহয়ং জনঃ। তৎ, চিত্ৰকৰ্মপৰিচয়েন, অঙ্গেষু তে আভৰণ ৱিনিয়োগং কুৰ্বঃ।

**শকুন্তলা** জানে ৰাং নৈপুণম্। (উভে নাট্যেনালংকুৰুতঃ)

(ততঃ প্ৰবিশতি স্নানোত্তীৰ্ণ কাশ্যপঃ)

**কাশ্যপ** যাস্যত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্টমুৎকণ্ঠয়া
কণ্ঠ ঃ স্তম্ভিতৰা ষ্পবৃত্তিকলুষশ্চিন্তাজডং দৰ্শনম্।
বৈক্লব্যং মম তাৱদীদৃশামিদং স্নেহাদৰণ্যৌকসঃ
পীড্যন্তে গৃহিণঃ কথং নু তনয়াৱিশ্লেষদুঃখৈৰ্নবৈঃ।। ৬।।

(পৰিক্ৰামতি)

**সখৌ** হলা শকুন্তলে। অৱসিতমণ্ডনাসি। পৰিধৎস্ব সাম্প্ৰতং ৱিচিত্ৰং ক্ষৌমযুগলম্। (শকুন্তলোৎথায় পৰিধত্তে)।

**গৌতমী** জাতে ! এষ তে আনন্দপৰিবাহিণা চক্ষুযা পৰিষ্ব জমান ইৱ, গুৰুৰুপস্থিতঃ আচাৰং তাৱৎ প্ৰতিপদ্যস্ব।

**শকুন্তলা** (সব্ৰীড়ম্) তাত ! ৱন্দে। (ৱন্দতে)

**কাশ্যপ** বৎসে !
যযাতেৰিৱ শৰ্মিষ্ঠা ভৰ্তুৰ্বহুমতা ভৱ।
সুতং ত্বমপি সম্ৰাজং সেৱ পূৰুমৱাপ্নুহি।। ৭।।

**গৌতমী** ভগৱন্ ! ৱৰঃ খল্বেষঃ, নাশিষঃ।

**কাশ্যপ** ৱৎসে ! ইতঃ সদ্যোহুতাগ্নীন্ প্ৰদক্ষিণী কুৰুম্ব।

(সৰ্বে পৰিক্ৰামন্তি)

**কাশ্যপ** (ঋক্‌ছন্দসাহাশাস্তে)
অমী বেদিং পৰিতঃ ক্লৃপ্তধিষ্ণ্যাঃ
সমিদ্ৱন্তঃ প্ৰান্তসংস্তীৰ্ণদৰ্ভাঃ।
অপঘ্নন্তো দুৰিতং হব্য গন্ধৈ
ৰ্বৈতনাস্ত্বাং ৱহ্নয়ঃ পাৱয়ন্ত।। ৮।।

প্ৰতিষ্ঠস্বেদানীম্। (সদৃষ্টিক্ষেপম্) ক্ব তে শাৰ্ঙ্গৰৱমিশ্ৰাঃ?

(প্ৰৱিশ্য)

**শিষ্যৌ** ভগৱন্ ! ইমৌ স্বঃ।

**কাশ্যপ** ভগিন্যাস্তে মাৰ্গমাদেশয়।

**শাৰ্ঙ্গৰৱ** ইত ইতো ভৱতী। (সৰ্বে পৰিক্ৰামন্তি)

**কাশ্যপ** ভো ভোঃ সংনিহিতাস্তপোৱনতৰৱঃ !
পাতুং ন প্ৰথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেযু যা
নাদত্তে প্ৰিয়মণ্ডনাপি ভৱতাং স্নেহেন যা পল্লৱম্।
আদ্যে ৱঃ কুসুম প্ৰসূতিসময়ে যস্যা ভৱত্যুৎসৱঃ
সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্বৈৰনুজ্ঞায়তাম্।।৯।।

(কোকিলৰৱং সূচয়িত্বা)
অনুমতগমনা শকুন্তলা তৰুভিৰিয়ং ৱনৱাসবন্ধুভিঃ।
পৰভৃতৱিৰুতং কলং যথা প্ৰতিৱচনীকৃতমেভিৰীদৃশম্।। ১০।।
(আকাশে)

**ৰম্যান্তৰ** কমলিনীহৰিতৈঃ সৰোভিশ্
ছায়াদ্ৰুমৈ ৰ্নিয়মিতাৰ্কময়ূখতাপঃ।
ভূয়াৎ কুশেশয় ৰজোমৃদুৰেণুস্যাঃ
শান্তানুকূলপৱনশ্চ শিৱশ্চ পন্থাঃ।। ১১।।
(সৰ্ৱে সৱিস্ময়মাকৰ্ণয়ন্তি)

**গৌতমী** জাতে ! জ্ঞাতিজনস্নিগ্ধাভিৰনুজ্ঞাতাসি তপোৱন দেৱতাভিঃ। প্ৰণম ভগৱতীঃ।

**শকুন্তলা** (স প্ৰণামং পৰিক্ৰম্য জনান্তিকম্) হলা প্ৰিয়ম্বদে !
ননু আৰ্যপুত্ৰ দৰ্শনোৎসুকায়া অপি আশ্ৰমপদং পৰিত্যজন্ত্যা দুঃখদুঃখেন মে চৰণৌ পুৰতঃ প্ৰৱৰ্তেতে।

**প্ৰিয়ম্বদা** ন কেৱলং তপোৱনৱিৰহ কাতৰা সখ্যেৱ, ত্বয়োপস্থিতৱিয়োগস্য তপোৱনস্যাপি তাৱৎ সমৱস্থা দৃশ্যতে।
উদ্‌গলিত দৰ্ভকৱলা মৃগ্যঃ পৰিত্যক্তনৰ্তনা ময়ূৰাঃ।
অপসৃতপাণ্ডুপত্ৰা মুঞ্চন্ত্যশ্ৰূণীৱ লতাঃ।। ১২।।

**শকুন্তলা** (স্মৃত্বা) তাত ! লতাভগিনীং ৱনজ্যোৎস্নাং তাৱদামন্ত্ৰয়িষ্যে।

**কাশ্যপ** অবৈমি তে তস্যাং সোদৰ স্নেহম্। ইয়ং সা দক্ষিনেন।

**শকুন্তলা** (লতামুপেত্যালিঙ্গ্য) ৱনজ্যোৎস্নে ! চূতসঙ্গতাপি মাং প্ৰত্যালিঙ্গ ইতোগতাভিঃ শাখাবাহ্যভিঃ। অদ্য প্ৰভৃতি দূৰপৰিৱৰ্তিনী ভৱিষ্যামি।

**কাশ্যপ** সংকল্পিতং প্ৰথমমেৱ ময়া তবাৰ্থে
ভৰ্তাৰমাত্মসদৃশং সুকৃতৈৰ্গতা ত্বম্।
চূতেন সংশ্ৰিতৱতী নৱমালিকেয়
মস্যামহং ত্বয়ি চ সংপ্ৰতি ৱীতচিন্তঃ।। ১৩।।
ইতঃ পন্থানং প্ৰতিপদ্যস্ব।

**শকুন্তলা** (সখৌ প্ৰতি) হলা ! এষা দ্বয়োৰ্যুৱয়োৰ্ন্নু হস্তে নিক্ষেপঃ।

**সখৌ** অয়ং জনঃ কস্য হস্তে সমৰ্পিতঃ ? (বাষ্পং ৱিহৰতঃ)।

**কাশ্যপ** অনসূয়ে ! অলং ৰুদিত্বা। ননু ভৱতীভ্যাম্ এৱ স্থিৰী কৰ্তব্যা শকুন্তলা। (সৰ্ৱে পৰিক্ৰামতি)।

**শকুন্তলা** তাত ! এষা উটজপৰ্যন্তচাৰিণী গৰ্ভমন্থৰা মৃগবধূঃ যদা অনঘ প্ৰসৱা ভৱতি তদা মহ্যং কমপি প্ৰিয়নিৱেদয়িতৃকং ৱিসৰ্জয়িষ্যথ।

**কাশ্যপ** বৎসে ! নেদং বিস্মৰিষ্যামঃ

**শকুন্তলা** (গতিভঙ্গং ৰূপয়িত্বা) কো নু খল্বেষ নিৱসনে মে সজ্জতে?
(পৰাৱৰ্ততে)

**কাশ্যপ** বৎসে !
যস্য ত্বয়া ব্ৰণৱিৰোপনমিঙ্গুদীনাং
তৈলং ন্যষিচ্যত মুখে কুশসূচিৱিদ্ধে।
শ্যামাকমুষ্টিপৰিৱৰ্ধিতকো জহাতি
সোহয়ং ন পুত্ৰকৃতকঃ পদৱীং মৃগস্তে।। ১৪।।

**শকুন্তলা** বৎস ! কিং সহৱাসপৰিত্যাগিণীং মামনুসৰসি?
অচিৰ প্ৰসূতয়া জনন্যাৱিনা ৱৰ্দিত্যোহসি। ইদানীমপি ময়া ৱিৰহিতং ত্বাং তাতশ্চিন্তয়িষ্যতি। নিৱৰ্ত্তস্ববৎস নিৱৰ্ত্তস্ব।
(ৰুদতী প্ৰস্থিতা)।

**কাশ্যপ** উৎপক্ষ্মৰ্ণোৰ্নয়নয়োৰুপৰুদ্ধবৃত্তি
বাষ্পং কুৰু স্থিৰতয়া ৱিৰতানুবন্ধম্।
অস্মিন্নলক্ষিতনতোন্নতভূমিভাগে
মাৰ্গং পদানি খলু তে বিষমীভৱন্তি।। ১৫।।

**শাৰ্ঙ্গৰৱ** ভগৱন্ ! তদকান্তং স্নিগ্ধো জনোৎনুগন্তব্য ইতি শ্ৰূয়তে। তদিদং সৰস্তীৰম্। অত্ৰ সংদিশ্য প্ৰতি গন্তুমৰ্হসি।

**কাশ্যপ** তেনহীমাং ক্ষীৰবৃক্ষচ্ছায়ামাশ্ৰয়মেঃ।
(সৰ্ব্বে পৰিক্ৰম্য স্থিতাঃ)। (আত্মগতম্) কিং নু খলু তত্ৰভৱতো দুষ্যন্তস্য যুক্তৰূপমস্মাভিঃ সংদেষ্টৱ্যম্?। (চিন্তয়তি)।

**শকুন্তলা** (জনান্তিকম্) হলা ! পশ্য; নলিনীপত্ৰান্তৰিতমপি সহচৰমপশ'ন্তী আতুৰা চক্ৰৱাকী আৰোতি। দুষ্কৰমহং কৰোমি ইত তৰ্কয়ামি।

**অনসূয়া** সখি ! মৈৱং মন্ত্ৰয়।
এষাপি প্ৰিয়েন ৱিনা গময়তি ৰজনীং ৱিষাদদীৰ্ঘতৰাম্
গুৰপি ৱিৰহদুঃখমাশাবন্ধঃ সাহয়তি।। ১৬।।

**কাশ্যপ** শাৰ্ঙ্গৰৱ ! ইতি ত্বয়া মদ্ৱচনাৎ স ৰাজা শকুন্তলাং পুৰস্কৃত্য ৱক্তব্যঃ।

**শাৰ্ঙ্গৰৱ** আজ্ঞাপয়তু ভৱান্।

**কাশ্যপ** অস্মান্ সাধু ৱিচিন্ত্য সংযমঘনানুচ্চৈঃ কুলং চাত্মনসত্বয্যস্যাঃ
কথমপ্যবান্ধৱকৃতাং স্নেহপ্ৰবৃত্তিং চ তাম্।
সামান্য প্ৰতিপত্তি পূৰ্বকমিয়ং দাৰেষু দৃশ্যা ত্বয়া
ভাগ্যায়ত্তমতঃ পৰং ন খলু তদ্ৱাচ্যং ৱধূবন্ধুভিঃ।। ১৭।।

**শাৰ্ঙ্গৰৱ** গৃহীতঃ সন্দেশঃ।

**কাশ্যপ** ৱৎসে ! ত্বমিদানীমনুশাসনীয়াসি। বনৌকসোহপি সন্তোলৌকিকজ্ঞা ৱয়ম্।

**শাৰ্ঙ্গৰৱ** ন খলু ধীমতাং কশ্চিদবিষয়ো নাম।

**কাশ্যপ** সা ত্বমিতঃ পতিকুলং প্ৰাপ্য
শুশ্ৰূষস্ব গুৰূন্ কুৰু প্ৰিয়সখীবৃত্তিং সপত্নীজনে
ভৰ্তুৰ্ৱিপ্ৰকৃতাপি ৰোষণতয়া মাস্ম প্ৰতীপং গমঃ
ভূয়িষ্ঠং ভৱ দক্ষিণা পৰিজনে ভোগেষ্বনুৎসেকিনী
যান্ত্যেৱং গৃহিণীপদং যুৱতয়ো ৱামাঃ কুলস্যাধয়ঃ।। ১৮।।
কথং ৱা গৌতমী মন্যতে?।

**গৌতমী** এতাৱান্ ৱধূজনস্যোপদেশঃ। জাতে ! এতৎ খলু সৰ্বমৱধাৰয়।

**কাশ্যপ** এহি বৎসে ! পৰিষ্বজস্ব মাং সখীজনং চ।

**শকুন্তলা** তাত ! ইত এৱ কিং প্ৰিয়ম্বদামিশ্ৰাঃ সখ্যো নিৱৰ্ত্তিষ্যন্তে?

**কাশ্যপ** ৱৎসে ! ইমে অপি প্ৰদেয়ে। ন যুক্তমনয়োস্তত্ৰ গন্তুম্। ত্বয়া সহ গৌতমী গমিষ্যতি।

**শকুন্তলা** (পিতৰমাশ্লিষ্য) কথমিদানীং তাতস্য অঙ্কাৎ পৰিভ্ৰষ্টা মলয়পৰ্বতোন্মূলিতা চন্দনলতেৱ দেশান্তৰে জীৱিতং ধাৰয়িষ্যামি।

**কাশ্যপ** ৱৎসে ! কিমেৱং কাতৰাসি?।
অভিজনৱতো ভৰ্তুঃ শ্লাঘ্যে স্থিতা গৃহিনীপদে
বিভৱগুৰুভিঃ কৃত্যৈস্তস্য প্ৰতিক্ষণমাকুলা।
তনয়মচিৰাৎ প্ৰাচীৱাৰ্কং প্ৰসূয় চ পাৱনং
মম ৱিৰহজাং ৱৎসে ! ন ত্বং শুচং গণয়িষ্যসি।। ১৯।।

**শকুন্তলা** (পিতুঃ পাদয়োঃ অৱনম) তাত ! ৱন্দে।

**কাশ্যপ** যদিচ্ছামি তে তদস্তু।

**শকুন্তলা** (সখ্যাৱুপেত্য) হলা ! দ্বে অপি মাংসমমেৱ পৰিষ্বজেথাম্।

**সখ্যৌ** (তথা কৃত্বা) সখি ! যদি নাম স ৰাজা প্ৰত্যাভিজ্ঞান মন্থৰো ভৱেৎ ততঃ তস্য ইমাম্ আত্মনামধেয়াঙ্কিতমঙ্গুলীয়কং দৰ্শয়।

**শকুন্তলা** অনেন সংদেহেন ৱামাকম্পিতাস্মি।

**সখৌ** মা ভৈষীঃ, স্নেহঃ পাপশঙ্কী।

**শাৰ্ঙ্গৰৱ** অগান্তৰমাৰূঢ়ঃ সৱিতা। ত্বৰতামত্ৰভৱতী।

**শকুন্তলা** (আশ্ৰমাভিমুখী স্থিত্বা) তাত ! কদা নু ভূয়স্তপোৱনং প্ৰেক্ষিষ্যে?।

**কাশ্যপ** ৱৎসে ! শ্ৰূয়তাম্—
ভূত্বা চিৰায় চতুৰন্তমহীসপত্নী
দৌষন্তিমপ্ৰতিৰথং তনয়ং নিৱেশ্য।
ভৰ্ত্ৰা তদৰ্পিত কুটুম্বভৰেণ সাৰ্ধং
শান্তে কৰিষ্যসি পদং পুনৰাশ্ৰমেহস্মিন্।। ২০।।

**গৌতমী** জাতে ! পৰিহীয়তে গমনৱেলা। নিৱৰ্তয় পিতৰম্। অথৱা চিৰেণাপি পুনঃ পুনৰেষা এৱং মন্ত্ৰয়িষ্যতে। নিৱৰ্ততাং ভৱান্।

**কাশ্যপ** ৱৎসে ! উপৰুধ্যতে তপোহনুষ্ঠানম্।

**শকুন্তলা** (ভূয়ঃ পিতৰমাশ্লিষ্য) তপশ্চৰন পীড়িতং তাত শৰীৰম্।
তন্মাতিমাএং মম কৃতে উৎকণ্ঠিতুম্।

**কাশ্যপ** (সনিঃশ্বাসম্)
শমমেষ্যতি মম শোকঃ কথং নু ৱৎসে ! ত্বয়া ৰচিত পূৰ্ৱম্ ?।
উজৈদ্বাৰবিৰূঢ়ং নীৱাৰবলিং ৱিলোকয়তঃ।। ২১।।
গচ্ছ, শিৱাস্তে পন্থানঃ সন্তু। (নিষ্ক্ৰান্তা শকুন্তলা সহযায়িনশ্চ)

**সখৌ** (শকুন্তলাং ৱিলোক্য) হাধিক্ হা ধিক্। অন্তৰ্হিতা শকুন্তলা ৱনৰাজ্যা।

**কাশ্যপ** (সনিঃশ্বাসম্)। অনসূয়েঃ ! প্ৰিয়ম্বদে ! গতবতী বাং সহধৰ্মচাৰিণী।
নিগৃহ্য শোকমনুগচ্ছতং মাং প্ৰস্থিতম্।
(সৰ্ৱে প্ৰস্থিতাঃ)

**উভে** তাত ! শকুন্তলাবিৰহিতং শূন্যমিৱ তপোৱনং কথং প্ৰৱিশাৱঃ ?

**কাশ্যপ** স্নেহপ্ৰবৃত্তিৰেৱং দৰ্শিনী। (সৱিমৰ্শং পৰিক্ৰম্য)
হন্ত ভোঃ ! শকুন্তলাং পতিকুলং ৱিসৃজ্য লব্ধমিদানীং স্বাস্থ্যম্। কুতঃ—
অৰ্থো হি কন্যা পৰকীয় এৱ
তামদ্য সংপ্ৰেষ্য পৰিগ্ৰহীতুঃ।
জাতো মমায়ং ৱিশদঃ প্ৰকামং
প্ৰত্যৰ্পিতন্যাস ইৱান্তৰাত্মা।। ২২।। (সৰ্ৱে নিষ্ক্ৰান্তাঃ)

## ১১.৪ চতুৰ্থ অংশৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

(তেনেকুৱা মাঙ্গলিক কাৰ্য্যত ব্যাপৃতা হৈ আসনত বহি থকা শকুন্তলাৰ প্ৰৱেশ, তাপসী-সকলৰ শকুন্তলাক সম্বোধন।)

**প্ৰথমা তাপসী** বাচা ! স্বামীৰ সমাদৰ লাভ কৰি মহাদেৱীৰ পদ লাভ কৰা।

**দ্বিতীয় তাপসী** বাচা ! তুমি বীৰৰ জননী হোৱা।

**তৃতীয় তাপসী** বাচা ! তুমি স্বামীৰ বৰ সমাদৰ লাভ কৰা।

(এইদৰে আশীৰ্বাদ দি গৌতমীক এৰি থৈ আন তাপসীসকলে বাহিৰ ওলাই যায়)।

**সখীদ্বয়** (শকুন্তলাৰ ওচৰলৈ গৈ) সখী তোমাৰ মাঙ্গলিক স্নান সুখকৰ হওক।

**শকুন্তলা** সখী, আহা দুয়ো সখী; ইয়াতে বহা।

**সখীদ্বয়** (মাঙ্গলিক প্ৰসাধন সামগ্ৰীৰ পাত্ৰ লৈ) সখী, তুমি ভালকৈ বহা, তোমাৰ প্ৰসাধন কাৰ্য্য কৰোঁ।

**শকুন্তলা** ইয়াকে বহুত বুলি ভাবিব লাগিব। এতিয়াৰে পৰা সখীসকলৰ হাতেৰে কৰা মণ্ডন কৰ্ম দুৰ্লভ হ'ব। (চকুলো টোকে)

**সখীদ্বয়** সখী ! শুভকাৰ্য্যত কন্দা-কটা কৰা অনুচিত। (চকুলো মচি দিয়ে)।

**প্ৰিয়ম্বদা** অলংকৰণৰ উপযুক্ত এই ৰূপ আশ্ৰমত প্ৰাপ্ত প্ৰসাধনেৰে বিকৃত হোৱাৰ সম্ভাৱনা হয়। (হাতত আভৰণবোৰ লৈ দুজন ঋষি কুমাৰ আহে)

**কুমাৰ এজন** এয়া আভৰণ। এওঁক অলঙ্কৃত কৰা।

**গৌতমী** বাচা নাৰদ ! এইবোৰ ক'ত পালা ?

**প্ৰথমজন** পিতা কাশ্যপৰ তপস্যাৰ প্ৰভাৱত পোৱা গৈছে।

**গৌতমী** এয়া তেওঁৰ মানসী সিদ্ধিৰ ফল নেকি ?

**দ্বিতীয়জন** নহয় নহয়। কওঁ শুনক। তেখেতে আমাক ক'লে, 'শকুন্তলাৰ কাৰণে গছৰ পৰা ফুল তুলি আনাগৈ।' তাকে কৰোঁতে এজোপা গছে দিলে চন্দ্ৰৰ দৰে ৰঙৰ মাঙ্গলিক পাটকাপোৰ, অন্য এজোপা গছে দিলে ভৰিত লগোৱা লাক্ষাৰস; অন্যান্য বন দেৱতাসকলে তেওঁলোকৰ কোমল হাত আগবঢ়াই নানান অলঙ্কাৰবোৰ দিলে, সেয়া যেন তেওঁলোকৰ কুঁহি পাতৰ সৈতে কৰা প্ৰতিদ্বন্দ্বিতাহে। ৫।

**প্ৰিয়ম্বদা** (শকুন্তলালৈ চাই) সখী ! এইবোৰ উপহাৰ এনেকৈ পোৱাৰ পৰা বুজা গৈছে তুমি স্বামীৰ ঘৰত কেনে শ্ৰীবৃদ্ধি লাভ কৰিবা। (শকুন্তলাই লাজুক ভাৱ দেখুৱায়।)

**প্ৰথম ঋষিকুমাৰ** গৌতম ! পিতা কাশ্যপৰ স্নান কাৰ্য্য সম্পন্ন যেন পাওঁ; বলা, তেখেতক বনদেৱতাসকলে দিয়া উপহাৰৰ কথা কওঁগৈ।

**দ্বিতীয় ঋষিকুমাৰ** সেয়ে হওক। (দুয়ো ওলাই যায়।)

**সখীদ্বয়** আঃ এওঁৰ ৰূপ অলংকাৰৰ যোগ্য নহয়। চিত্ৰ কৰ্মৰ লগত থকা পৰিচয়ৰ ওপৰত নিৰ্ভৰ কৰি এওঁৰ অঙ্গবোৰত আভৰণবোৰ বিনিয়োগ কৰোহঁক।

**শকুন্তলা** তোমালোকৰ নৈপুণ্যৰ কথা মই জানো দিয়া। (দুয়ো শকুন্তলাক অলঙ্কাৰ পিন্ধায়।) (তাৰ পাছত স্নান কৰি উঠা কাশ্যপে প্ৰৱেশ কৰে।)

**কাশ্যপ** শকুন্তলা আজি গুচি যাব এই কাৰণে মোৰ মন বৰ উৎকণ্ঠিত হৈছে; চকুলোক বাধা দিবলৈ যাওঁতে মোৰ কণ্ঠৰুদ্ধ হৈছে; চিন্তাত চকুৰ দৃষ্টি কম হৈছে। মই এজন বনবাসী, সন্তানৰ স্নেহত মোৰ যদি এনে অৱস্থা হয়, তেনেহ'লে, গৃহীসকলে প্ৰথমতে কন্যা উলিয়াই দিওঁতে নাজানো কিমান কষ্ট পায়। ৬। (আগবাঢ়ি গৈ)

**সখীদ্বয়** সখী শকুন্তলা ! অলংকাৰ পিন্ধোৱা হ'ল, এতিয়া পাটকাপোৰ জোৰ পিন্ধা। (শকুন্তলা বহাৰ পৰা উঠি পাটকাপোৰজোৰ পিন্ধিলে।)

**গৌতমী** বাচা ! এয়া তোমাৰ পিতা আহিছে, তেওঁৰ দুচকুত আনন্দাশ্ৰু বৈ গৈ তোমাক যেন আলিঙ্গন কৰিবলৈহে উপস্থিত হৈছে। তুমি তেওঁক সেৱা কৰা।

**শকুন্তলা** (লাজ লাজ কৰি) পিতা, এয়া প্ৰণাম কৰিছো।

**কাশ্যপ** বাচা। শৰ্মিষ্ঠাই যেনেকৈ যযাতিৰ ওচৰত প্ৰিয়পাত্ৰী হৈছিল, তেনেকৈ তুমিও স্বামীৰ প্ৰিয়ভাজন হোৱা আৰু শৰ্মিষ্ঠাই পুৰুক লাভ কৰাৰ দৰে তুমিও সম্ৰাট পুত্ৰ লাভ কৰা। ৭।

**গৌতমী** ভগৱান ! এয়া কেৱল আশীৰ্বাদেই নহয়; ই বৰো।

**কাশ্যপ** বাচা ! আহা, এইফালে আহা। এয়া যে অগ্নিত্ৰয়ত এতিয়া আহুতি দিয়া হৈছে, তাক প্ৰদক্ষিণ কৰা।

(সকলোৱে পৰিক্ৰম কৰে, ঘূৰে।)

**কাশ্যপ** (ঋগ্বেদৰ ছন্দেৰে আশীৰ্বাদ বাক্য উচ্চাৰণ কৰি) বেদিৰ ওপৰত যি অগ্নিত্ৰয় নিজ নিজ কুণ্ডত অধিষ্ঠিত হৈ আছে, য'ত সমিধ দিয়া হৈছে আৰু যাৰ প্ৰান্তভাগত দৰ্ভ বিস্তৃত কৰা হৈছে, সেই যজ্ঞাগ্নিয়ে হব্যগন্ধেৰে সকলো অমঙ্গল নাশ কৰি তোমাক পৱিত্ৰ কৰক। ৮। এতিয়া যাত্ৰা আৰম্ভ কৰা। (দৃষ্টিক্ষেপ কৰি) শাৰ্ঙ্গৰৱ প্ৰভৃতি ক'ত? (প্ৰৱেশ কৰি)

**শিষ্যদ্বয়** ভগৱন ! এয়া আমি ইয়াত আছো।

**কাশ্যপ** তোমালোকৰ ভনীয়েৰাক বাট দেখুৱা।

**শাৰ্ঙ্গৰৱ** তুমি এইফালে আহা (সকলোৱে ঘূৰে)।

**কাশ্যপ** হে ওচৰত থকা তপোৱনৰ বৃক্ষসকল ! যিজনীয়ে তোমালোকক জলপান নকৰাকৈ নিজে পানী পান নকৰিছিল, মণ্ডল ভাল পালেও চেনেহতে তোমালোকৰ পৰা এটি কুঁহিপাত চিঙা নাছিল; তোমালোকৰ প্ৰথম ফুল ফুলাৰ সময়ত যাৰ উৎসৱ প্ৰচুৰ হৈছিল, সেই শকুন্তলা আজি পতিৰ ঘৰলৈ যাব, তোমালোক সকলোৱে তাৰ বাবে অনুমতি দিয়া। ৯।

(কুলিৰ মাত শুনাৰ অভিনয় কৰি)

অৰণ্যত একেলগে বাস কৰা শকুন্তলাৰ বন্ধু এই তৰুবোৰে তেওঁক যাবলৈ অনুমতি দিছে, কাৰণ তেওঁলোকে এনেকৈ কুলিৰ মাতেৰে মোৰ কথাৰ উত্তৰ দিছে। ১০।

(আকাশত)

এই পথ শুভঙ্কৰ হওঁক, মাজে মাজে হৰিৎবৰণৰ মনোৰম সৰোবৰ আদিৰে, ছায়াময় গছৰে সূৰ্য্যৰ কিৰণৰ তাপ নিবাৰিত হৈ পদুমৰ পৰাগেৰে পথৰ ধূলিবোৰ কোমল হৈ শকুন্তলাৰ যাত্ৰাপথ শুভ আৰু বতাহ ধীৰ আৰু অনুকূল হওঁক। ১১।

(সকলোৱে আচৰিত হৈ আকাশবাণী শুনিলে।)

**গৌতমী** বাচা ! জ্ঞাতিসকলৰ দৰে তোমাক যিসকলে স্নেহ কৰে সেই তপোৱনৰ দেৱীসকলে তোমাক যাত্ৰাৰ অনুমতি দিছে। এতিয়া ভগৱতীসকলক প্ৰণাম কৰা।

**শকুন্তলা** (প্ৰণাম জনাই যাবলৈ আৰম্ভ কৰি, একাষৰীয়াকৈ) হে সখী প্ৰিয়ম্বদা, যদিও আৰ্য্যপুত্ৰক দেখাৰ বাবে মোৰ এই ব্যগ্ৰতা হৈছে, তথাপিও কিন্তু আশ্ৰম এৰি যাবলৈ মোৰ চৰণ আগবঢ়া নাই।

**প্ৰিয়ম্বদা** তপোৱন ত্যাগ কৰি যাবলৈ ওলোৱা বাবে তোমাৰেই যে কেৱল দুঃখ হৈছে এনে নহয়, তপোৱনৰো একে অৱস্থা হৈছে। সৌ চোৱা—হৰিণবোৰৰ মুখৰ পৰা আধাচোবোৱা কুশ পৰিছে, ময়ূৰবিলাকে নৃত্য ত্যাগ কৰিছে, লতাবোৰৰ শুকান পাতবোৰ গুছি গৈ যেন চকুৰ পানী হৈ সৰি পৰিছে। ১২।

**শকুন্তলা** (সোঁৱৰণ কৰি) পিতা ! লতাভগিনী বনজ্যোৎস্নাজুপিক এবাৰ মাত লগাওঁ।

**কাশ্যপ** বনজ্যোৎস্নাৰ ওপৰত তোমাৰ ভনী যেন চেনেহ আছে সেয়া মই জানো। তোমাৰ সোঁহাতে লতাজুপি আছে।

**শকুন্তলা** (ওচৰলৈ গৈ লতা জোপাক সাৱতি ধৰি) বনজ্যোৎস্না ! যদিও তুমি আম গছৰ লগত সঙ্গত হৈছা, তথাপি তোমাৰ ঠাল-ঠেঙুলিবোৰেৰে এবাৰ মোক সাৱতি ধৰাচোন। আজিৰ পৰা মই বহুদূৰণীয়া হ'ম নহয়।

**কাশ্যপ** মই প্ৰথমৰে পৰা তোমাক উপযুক্ত স্বামীৰ হাতত তুলি দিম বুলি সংকল্প কৰিছিলো। এতিয়া তুমি তোমাৰ নিজৰ সুকৃতিৰ বলত তাকে পাইছা। এই নৱমালিকাই আম গছক আশ্ৰয় কৰিছে, তাইৰ বাবে আৰু তোমাৰ বাবে এতিয়া আৰু মোৰ কোনো চিন্তা ভাৱনা নাই। এতিয়া যাত্ৰা আৰম্ভ কৰা। ১৩।

**শকুন্তলা** (সখী দুজনীৰ প্ৰতি) ইয়াক তোমালোক দুজনীৰ হাতত সঁপিলো।

**সখীদ্বয়** মোক নো কাৰ হাতত সঁপি দিলা? (চকুলো টোকে)

**কাশ্যপ** অনসূয়া ! কেলেই কান্দিছা। তোমালোকেহে শকুন্তলাক স্থিৰ কৰিব লাগে। (সকলোৱে পৰিক্ৰমণ কৰে)

**শকুন্তলা** পিতা ! সেই হৰিণজনী লাহে লাহে কুটীৰৰ কাষে কাষে ঘূৰি ফুৰিছে। তাইৰ পোৱালী জগোৱাৰ সময় আহিছে। তাই যেতিয়া বিঘিনি নঘটাকৈ পোৱালি দিব তেতিয়া কাৰোবাক পঠিয়াই মোক সেই সুখবৰটো জনাব।

**কাশ্যপ** বাৰু ! মনত ৰাখিম।

**শকুন্তলা** (গতি ভঙ্গৰ অভিনয় কৰি) কোনেনো মোৰ কাপোৰত টানে অ'?

**কাশ্যপ** বাচা ! যাৰ মুখত কুশৰ কাঁইটে বিন্ধিলে, ক্ষত হ'লে তুমি ইঙ্গুদী গুটিৰ তেল লগাই দিছিলা, যাক তুমি নিজৰ পুত্ৰৰ দৰে ভাবা, সেই হৰিণৰ পোৱালিটোৱে তোমাৰ লগ এৰা নাই। ১৪।

**শকুন্তলা** বাচা ! তোক এৰি যে মই যাবলৈ ওলাইছো ! মোৰ লগত তই কিয় আহিছ? জন্মিবৰ অলপ দিন পাছতে তোৰ মা মৰিলেও তই জীৱিত থাকি ডাঙৰ হৈছ, এতিয়া মই নাথাকিলেও দেউতাই তোক চাব। (কান্দি আগবাঢ়ে)

**কাশ্যপ** (আই !) চকুলোৱে তোমাৰ দীঘল পক্ষ্মযুক্ত চকুৰ দৃষ্টি অৱৰুদ্ধ হৈছে, ধৈৰ্য্য ধৰি চকুলো বোৱা বন্ধ কৰা; এই ঠাইবোৰ ওখৰা-মোখৰা, তাকে নেদেখা বাবে তোমাৰ খোজবোৰ ঠিক ঠাইত পৰা নাই। (তোমাৰ পথ বিষণীকৃত হৈছে/হ'ব)। ১৫।

**শাৰ্ঙ্গৰৱ** ভগৱন ! স্নেহভাজন লোকৰ জলাধাৰ পৰ্য্যন্ত যোৱাৰ ৰীতি। এয়া আমি জলাশয়ৰ কাষ পালোহি। গতিকে ইয়াতে আপোনাৰ সন্দেশ শুনাই আপুনি উভতি যোৱা উচিত হ'ব।

**কাশ্যপ** তেনেহ'লে সেই বৰগছ জোপাৰ ছায়াতে আশ্ৰয় লওহঁক। (সকলোৱে এপাক ঘূৰি ৰয়) (নিজে মনতে) ৰজা দুষ্যন্তকনো তেওঁৰ বাবে উপযুক্ত কি কথা সন্দেশৰূপে জনাওঁ? (চিন্তা কৰে)।

**শকুন্তলা** (একাষৰীয়াকৈ) সখী। চোৱা; সেই চক্রবাকীজনীয়ে গিৰীয়েক পদুম পাতৰ আঁৰ হওঁতে নেদেখি আতুৰ হৈ চিঞৰিছে। ময়ো বৰ দুষ্কৰ কাম কৰিবলৈ ওলোৱা বুলি মনতে ভাবিছো।

**অনসূয়া** সখী! তেনেকৈ নাভাবিবাচোন। তায়ো প্রিয়জনৰ বিয়োগজনিত দীঘলীয়া ৰাতিটো দুঃখেৰে কটায়। সেই বিৰহৰ দুঃখ গুৰুতৰ হলেও পুনৰ্মিলনৰ আশাত তাকো সহ্য কৰে। ১৬।

**কাশ্যপ** শার্ঙ্গৰৱ! শকুন্তলাক আগত থৈ ৰজা দুষ্যন্তক মোৰ বচনেৰে এনেকৈ ক'বা—

**শার্ঙ্গৰৱ** আপুনি আজ্ঞা কৰক।

**কাশ্যপ** 'তপোবৃদ্ধ আমাৰ কথা,আপোনাৰ নিজৰ বংশ মৰ্য্যাদাৰ কথা, আৰু আত্মীয় স্বজনৰ যত কোনো হাত নাছিল, আপোনাৰ প্রতি শকুন্তলাৰ সেই স্বতঃজাত গভীৰ প্রেমৰ কথা মনত পেলাই আপুনি তেওঁক আন পত্নীৰ সমান সমাদৰৰ দৃষ্টিৰে চাব; ইয়াতকৈ অধিক আশা কৰা ভাগ্যৰ অধীন; বধূৰ আত্মীয়-স্বজনৰ সেই বিষয়ে কোৱাৰ অধিকাৰ নাই। ১৭।

**শার্ঙ্গৰৱ** আপোনাৰ সন্দেশ-বাৰ্ত্তা গৃহীত হ'ল।

**কাশ্যপ** বাচা! এইবাৰ তোমাক উপদেশ দিওঁ। বনবাসী হ'লেও আমি সংসাৰৰ ৰীতি-নীতি জানো।

**শার্ঙ্গৰৱ** ধীমান লোকৰ অজ্ঞাত একো নাথাকে।

**কাশ্যপ** এতিয়াৰ পৰা তুমি ইয়াৰ পৰা গৈ পতিৰ কুল পাই— গুৰুসকলৰ সেৱা-শুশ্রূষা কৰিবা, সতিনীসকলক প্রিয়সখী জ্ঞান কৰিবা, গিৰিয়েৰাই কেতিয়াবা দুৰ্ব্যৱহাৰ কৰিলেও তেওঁৰ (প্রতি) প্রতিকূল আচৰণ নকৰিব, নিজৰ সৌভাগ্যত গৰ্বিতা নহৈ দাস-দাসীসকলৰ প্রতি সদয় ব্যৱহাৰ কৰিবা। যুৱতীসকলে এইদৰে আচৰণ কৰি সুগৃহিনীৰ পদ লাভ কৰে; ইয়াৰ বিপৰীত আচৰণ কৰা স্ত্রী কুলৰ বাবে যন্ত্রণাদায়ক হয়। ১৮।

গৌতমীয়ে বা কি কয়?

**গৌতমী** ন বোৱাৰীৰ বাবে এইখিনি উপদেশেই যথেষ্ট। বাচা! এইবোৰ উপদেশ মনত ৰাখিবা।

**কাশ্যপ** বাচা! মোক আৰু সখীসকলক আলিঙ্গন কৰা।

**শকুন্তলা** দেউতা! প্রিয়ম্বদাহঁত ইয়াৰ পৰাই উভতি যাব নেকি?

**কাশ্যপ** বাচা! এওঁলোককো বিয়া দিব লাগিব। এওঁলোক তোমাৰ লগত তালৈ যোৱা উচিত নহ'ব। তোমাৰ লগত গৌতমী যাব নহয়।

**শকুন্তলা** (পিতৃক আলিঙ্গন কৰি) এতিয়া দেউতাৰ কোলাৰ পৰা পৰি মলয় পৰ্বতৰ পৰা উভালি অনা চন্দন গছৰ দৰে দেশান্তৰত কেনেকৈ জীয়াই থাকিম?

**কাশ্যপ** বাচা! তুমি ইমান কাতৰ হৈছা কিয়? অনেক পৰিজনযুক্ত স্বামীৰ শ্লাঘনীয় গৃহিনীপদত প্রতিষ্ঠিত হৈ, সেই পদৰ উপযুক্ত অতুল বিভৱজনিত গুৰুতৰ কাম-

কাজত ব্যাপৃত হৈ থাকি আৰু পূব দিশে সূৰ্য্যক জন্ম দিয়াৰ দৰে শীঘ্ৰে বিশুদ্ধ পুত্ৰক জন্ম দি, মোৰ বিৰহত জন্মিব পাৰা দুঃখ শোক তুমি গণ্য কৰিবলগীয়া নহ'ব। ১৯।

**শকুন্তলা** (পিতৃৰ চৰণত ধৰি) পিতা ! সেৱা কৰিছো।

**কাশ্যপ** মই যি ভাবিছো সেয়া তোমাৰ হওঁক।

**শকুন্তলা** (সখী দুজনীৰ কাষলৈ গৈ) দুয়ো মোক একেলগে সাৱতি ধৰা।

**সখীদ্বয়** (তাকে কৰি) সখী ! যদি সেই ৰজাই তোমাক চিনি পোৱাত মন্থৰ হয় তেতিয়া তেওঁ দি যোৱা তেওঁৰ নামাঙ্কিত আঙঠিটো দেখুৱাবা।

**শকুন্তলা** তোমালোকৰ এই সন্দেহে মোৰ হিয়া কঁপাইছে।

**সখীদ্বয়** ভয় নাখাবা; অতি স্নেহে পাপলৈ শঙ্কা কৰায়।

**শাৰ্ঙ্গৰৱ** বেলা বহুত হ'ল। তুমি খৰধৰ কৰা।

**শকুন্তলা** (আশ্ৰমলৈ মুখ কৰি থিয় হৈ) দেউতা আৰু নো কেতিয়া তপোৱন দেখা পাম?

**কাশ্যপ** বাচা শুনা। বহুদিন চাৰিসাগৰে বেৰি থকা পৃথিৱীৰ সতিনীগিৰি কৰি, দুষ্যন্তৰ প্ৰতিদ্বন্দ্বিহীন পুত্ৰক সিংহাসনত বহুৱায় আৰু তোমাৰ স্বামীয়ে যেতিয়া তেওঁৰ ওপৰত ৰাজ্যভাৰ অৰ্পণ কৰিব, তেতিয়া তেওঁৰ সৈতে আকৌ এই শান্তিপূৰ্ণ আশ্ৰমলৈ আহিবা। ২০।

**গৌতমী** বাচা ! যাত্ৰাৰ সময় গৈ আছে। পিতৃক ঘূৰাই পঠোৱা। অথবা এওঁতো বাৰে বাৰে বহুক্ষণ একে কথাকে কৈ থাকিব। আপুনিয়ে উভতি যাওঁক।

**কাশ্যপ** বাচা ! মোৰ তপোনুষ্ঠানতে বাধা পৰিছে।

**শকুন্তলা** (আকৌ পিতৃক আলিঙ্গন কৰি) পিতাৰ এই শৰীৰ তপস্যাৰে প্ৰপীড়িত হৈছে। মোৰ বাবে আপুনি অতিশয় উৎকণ্ঠিত নহ'ব।

**কাশ্যপ** (নিঃশ্বাস পেলাই) বাচা ! কুটীৰৰ দুৱাৰ মুখত তুমি আগতে চতিয়াই দিয়া নীবাড়ধানৰ গজালিবোৰ দেখি মোৰ শোক কেনেকৈ গুচিব? বাৰু, এতিয়া তোমালোকে যাত্ৰা কৰা। তোমালোকৰ যাত্ৰাপথ সুখকৰ হওঁক। ২১।

(সহযাত্ৰী সকলৰ সৈতে শকুন্তলা ওলাই যায়)

**সখীদ্বয়** (শকুন্তলালৈ চায়) হায় হায় ! শকুন্তলা হাবিৰ আঁৰ হ'ল।

**কাশ্যপ** (দীৰ্ঘ নিশ্বাস পেলাই) অনুসূয়া ! প্ৰিয়ম্বদা ! তোমালোকৰ ধৰ্ম সঙ্গিনী শকুন্তলা গ'লগৈ। এতিয়া দুঃখ শোক পাহৰি মোৰ পাছে পাছে আহা।

(আটায়ে প্ৰস্থান কৰে।)

**উভয়ে** পিতা ! শকুন্তলা বিযুক্ত শূন্য তপোবনত কেনেকৈ সোমাম?

**কাশ্যপ** স্নেহত প্ৰবৃত্ত হলে এনে দেখা যায়। (ভাবি) হায়! শকুন্তলাক পতিগৃহলৈ পঠিয়াই এতিয়াহে মই স্বাস্থ্য লাভ কৰিছো। কাৰণ কন্যা মাত্ৰকে পৰৰ ধন; গচ্ছিত ধন ঘূৰাই দিয়াৰ দৰে তাইক (শকুন্তলাক) স্বামীৰ ঘৰলৈ পঠিয়াই মই গভীৰ শান্তি লাভ কৰিছো। ২২।

(সকলোবোৰ ওলাই যায়।)



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** শকুন্তলাক কোনে কি বুলি অভিশাপ দিছিল?

..........................................................................

**প্ৰশ্ন নং ২ ঃ** বনজ্যোৎস্না বুলি কি ফুলক বুজাইছে?

..........................................................................

**প্ৰশ্ন নং ৩ ঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ ৪ৰ্থ অঙ্কটোক কিয় ৰম্য বোলা হ'ল?

..........................................................................

..........................................................................

**প্ৰশ্ন নং ৪ ঃ** কন্যা সন্তানক কণ্ব ঋষিয়ে কিয় ন্যাস বুলি কৈছে?

..........................................................................

**প্ৰশ্ন নং ৫ ঃ** হস্তিনাপুৰৰ কোন ৰজাই শকুন্তলাক বিয়া কৰাইছিল?

..........................................................................



## ১১.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অংশৰ পাঠ্যাংশৰ সংস্কৃতপাঠ জানিলে।
- পাঠ্যাংশৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদো জানিলে।
- চতুৰ্থ অঙ্কত থকা শকুন্তলাৰ বিদায়দৃশ্যৰ লগত পৰিচিত হ'ল।
- শকুন্তলাৰ বিদায়দৃশ্যত প্ৰকৃতিয়ে কেনেদৰে ভাগ লৈছে সেই বিষয়েও জানিলে।
- শকুন্তলা আৰু প্ৰকৃতিৰ নিবিড় সম্পৰ্কৰ বিষয়ে অবগত হ'ল।
- শকুন্তলাৰ আসন্ন বিৰহত কাতৰ হোৱা কণ্বৰ অৱস্থাৰ বিষয়েও জানিব পাৰিলে।



## ১১.৬ অধিক জানিবলৈ

১) ঠাকুৰ, ৰবীন্দ্ৰ নাথ (১৯৭০), *প্ৰাচীন সাহিত্য*, কলকাতা ঃ বিশ্বভাৰতী।

২) ঠাকুৰ, ৰমা শঙ্কৰ (১৯৭২), *মহাকবি কালিদাস* (হিন্দী), চৌখাম্বা, বাৰানসী।

৩) মিৰাষি, ভি. ভি. আৰু নভাকৰ (১৯৫৯), *কালিদাস*, মুম্বাই।

৪) শৰ্মা, থানেশ্বৰ, (২০০৮), *অভিজ্ঞানশকুন্তলম্ —এক সমীক্ষা*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) শৰ্মা, থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

## ১১.৭ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** দুৰ্বাসা মুনিয়ে শকুন্তলাক প্ৰিয়জনে পাহৰি যাব বুলি অভিশাপ দিছিল।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** নৱমল্লিকা ফুলক।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অঙ্কৰ নাটকীয় তাৎপৰ্য্য তথা বিষয়বস্তুৰ উপস্থাপন অত্যন্ত আকৰ্ষণীয়। এই কাৰণে এই অঙ্কটোক ৰম্য বুলি কোৱা হয়।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** কন্যাসন্তান বেলেগৰ গচ্ছিত ধন। সেই কাৰণে কন্যাসন্তানক ন্যাস বোলা হৈছে।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** ৰজা দুষ্যন্ত।

## ১১.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন ঃ** (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** শকুন্তলাক কোনে অভিশাপ দিছিল?

**প্ৰশ্ন ২ ঃ** দুৰ্বাসা আশ্ৰমলৈ অহা সময়ত প্ৰিয়ম্বদা আৰু অনসূয়াই কি কৰি আছিল?

**প্ৰশ্ন ৩ ঃ** দুৰ্বাসা আশ্ৰমলৈ অহাৰ সময়ত শকুন্তলাই কি কৰি আছিল?

**প্ৰশ্ন ৪ ঃ** সেই সময়ত কণ্ব ঋষি ক'ত আছিল?

**খ) চুটি প্ৰশ্ন ঃ** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** বিদায়পৰত আশ্ৰমৰ পশু-পক্ষী, গছ-বিৰিখৰ কেনে অৱস্থা হৈছিল?

**প্ৰশ্ন ২ ঃ** শকুন্তলাক কাৰ সৈতে ৰাজধানীলৈ পঠোৱা হৈছিল আৰু কিয় পঠোৱা হৈছিল?

**গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** শকুন্তলা নাটকৰ চতুৰ্থ আঙ্কৰ সাৰাংশ লিখক।

*** ***** ***